অসম বিধান সভা
তৰাযুক্ত প্ৰশ্ন নং - ২৩৫
উত্তৰ দিবলগীয়া তাৰিখ : ২৭-০৭-২০২৬

**বিষয় :** মাজুলি পলিটেকনিকখনৰ আন্তঃগাঁথনি আৰু অতিৰিক্ত পুঁজি আৱন্টন সন্দৰ্ভত **।**

বিধায়ক : শ্ৰী ভূৱন গাম ।

মাননীয় লোক নিৰ্মাণ (গৃহ ও ৰাষ্ট্ৰীয় ঘাইপথ সমূহ) বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে :

ক) ২০১৯ বৰ্ষতে মাজুলীত এখন পলিটেকনিক নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। কিন্তু বৰ্তমানলৈকে প্ৰতিষ্ঠানটোৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠা নাই। চৰকাৰে প্ৰতিষ্ঠানটোৰ নিৰ্মাণ কাৰ্য্য কেতিয়ালৈকে সম্পূৰ্ণ কৰিব ? জনাব ।

(খ) পলিটেকনিকখনৰ নিৰ্মাণ কাৰ্য্য সম্পূৰ্ণ হৈ উঠিবলৈ অতিৰিক্ত ভাৱে ২৫ কোটি টকাৰ প্ৰয়োজন। গতিকে চৰকাৰে এই অতিৰিক্ত ২৫ কোটি টকা অনুমোদন কেতিয়া দিব আৰু পলিটেকনিকখনত কেতিয়াৰ পৰা শৈক্ষিক বৰ্ষ তথা পাঠদান আৰম্ভ হ'ব ?

**উত্তৰ :**

**মাননীয় লোক নিৰ্মাণ বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা মহোদয়ে উত্তৰ দিব :**

(ক) মাজুলী পলিটেকনিকখনৰ বাবে প্ৰথম পৰ্যায়ৰ আৱণ্টিত ৫২.৯৭ কোটি টকাৰে সীমা প্ৰাচীৰ (Boundary Wall),মাটি সমতল কৰা আৰু মাটি ভৰোৱা (Land Development with Earth Filling), প্ৰশাসনিক তথা শৈক্ষিক ভৱন (Administrative-cum-Academic Building), ল'ৰাৰ হোষ্টেল আৰু ছোৱালীৰ হোষ্টেলৰ কাম ২০২৬ চনৰ ডিচেম্বৰ মাহৰ ভিতৰত সম্পূৰ্ণ হ'ব।

(খ) মাজুলী পলিটেকনিকখনৰ কাম সম্পূৰ্ণ কৰিবলৈ লগা অতিৰিক্ত ২৫ কোটি টকাৰ পৰিকল্পনা আৰু প্ৰাক্কলন (Plan & Estimate) খন প্ৰস্তুত কৰা হৈছে আৰু চলিত বিত্তীয় বৰ্ষ (২০২৬-২০২৭)ত প্ৰাক্কলনটো অনুমোদনৰ বাবে বিভাগত বিহীত ব্যৱস্থা কৰি থকা হৈছে।

এই ২৫ কোটি টকাৰ অনুমোদন খিনি পালে মাজুলী পলিটেকনিকখন কাৰ্যক্ষম হৈ উঠিব। এই ২৫ কোটি টকাৰ প্ৰাক্কলনত কৰ্মশালা ভৱন, অধ্যক্ষ আৱাস, কৰ্মচাৰী আৱাস, ছাত্ৰী নিবাস আৰু অধ্যক্ষৰ আৱাসৰ বাবে সীমা প্ৰাচীৰ, নলা-নিষ্কাশন ব্যৱস্থা, আভ্যন্তৰীণ পথৰ কাম আৰু অভ্যন্তৰীণ বৈদ্যুতিক কাম আদি অন্তৰ্ভুক্ত কৰা হৈছে।

....